participation, conservation, empowerment, livelihood security

ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

afd
AGENCE FRANÇAISE DE DÉVELOPPEMENT

# কাৰৱালাংৰু যুটীয়া বন পৰিচালনা সমিতি (জে এফ এম চি)

পশ্চিম হাফলং বন সংমণ্ডল, ডিমা হাছাও বন চক্র

Approved

Divisional Forest Officer
Dima Hasao Forest Division (West)
Haflong

# ক্ষুদ্ৰ পৰিকল্পনা

(২০১৬-১৭ৰ পৰা ২০২৫-২৬ লৈ)

**কাৰৱালাংৰু যুটীয়া বন পৰিচালনা সমিতি (JFMC)ৰ দ্বাৰা প্ৰস্তুত**

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

**[ আই আই ই (IIE) আৰু আৰ জি ভি এন (RGVN) ]**

জুলাই, ২০১৬

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প (আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ এফ ডি (AFD) | এজেন্সী ফ্ৰান্স ডি ডেভেলপমেণ্ট |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| বি টি চি (BTC) | বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদ (বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিল) |
| কম্পেল' (COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰচুনিটিজ |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| জি আই এছ (GIS) | ভূ-তাত্বিক তথ্য ব্যৱস্থা (জিঅ'গ্ৰাফিকেল ইনফৰ্মেচন চেণ্টাৰ) |
| এইচ এ (Ha) | হেক্টৰ |
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্টাৰপ্ৰিনিয়ৰশ্বিপ) |
| ই ডি চি (EDC) | পৰিৱেশ উন্নয়ন সমিতি (ইক'-ডেভেলপমেণ্ট কমিটী) |
| কে জি (Kg.) | কিলোগ্ৰাম |
| কে এম (Km.) | কিলোমিটাৰ |
| মানস এন পি (Manas NP) | মানাহ ৰাষ্ট্ৰীয় উদ্যান (মানস নেচনেল পাৰ্ক) |
| এন জি অ' (NGO) | বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা (নন গভৰ্ণমেণ্টেল অৰ্গেনাইজেচন) |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰেষ্ট প্ৰডিউচ) |
| পি ডি এছ (PDS) | ৰাজহুৱা বিতৰণ ব্যৱস্থা (পাব্লিক ডিষ্ট্ৰিবিউচন ছিষ্টেম) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ন (পাৰ্টিচিপেটৰি ৰুৰেল এপ্ৰাইজেল) |
| আৰ এছ (Rs) | ভাৰতীয় টকা (ইণ্ডিয়ান ৰুপি) |
| এছ এইচ জি (SHG) | আত্মসহায়ক গোট (ছেল্ফ হেল্প গ্ৰুপ) |
| ভি চি ডি চি (VCDC) | গাঁও পৰিষদ উন্নয়ন সমিতি (ভিলেজ কাউন্সিল ডেভেলপমেণ্ট কমিটী) |

# যুটীয়া বন পৰিচালনা সমিতি
## (জীৱিকা উন্নয়ন পৰিকল্পনা)

<u>সূচীপত্ৰ</u>


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | ভূমিকা | ৫ |
| ২ | গাঁৱৰ আৰ্থ-সামাজিক বিৱৰণ | ৬ |
| ৩ | জীৱিকাৰ সুযোগ বিশ্লেষণ | ১১ |
| ৪ | জীৱিকা উন্নয়ন পৰিকল্পনা | ১৭ |
| ৫ | বন উন্নয়ন পৰিকল্পনা | ২০ |
| | পৰিশিষ্ট তালিকা | ১৬ |

সূচীপত্ৰ


| | | |
|---|---|---|
| ১ | ভূমিকা | ৫ |
| ২ | গাঁৱৰ আৰ্থ-সামাজিক বিৱৰণ | ৬ |
| ৩ | জীৱিকাৰ সুযোগ বিশ্লেষণ | ১১ |
| ৪ | জীৱিকা উন্নয়ন পৰিকল্পনা | ১৭ |
| ৫ | বন উন্নয়ন পৰিকল্পনা | ২০ |

তালিকা- ৫.২ ঃ জে এফ এম চিত বনভূমিৰ প্ৰকাৰ
জে এফ এম চি

তালিকা- ৫.৮ ঃ কাৰবালাংৰু জে এফ এম চিৰ সুৰক্ষা সমস্যা

পৰিশিষ্ট ২

পি আৰ এ কাৰ্যকলাপ

তালিকা- ৩.১ ঃ কাৰবালাংৰু জে এফ এম চিৰ অন্তৰ্গত গাঁৱৰ বৰ্ণনা

তালিকা- ৩.২ ঃ গাঁওসমূহৰ বিষয়ে তথ্য

চিত্ৰ- ৩.৩ ঃ সম্পদৰ স্থানাংক (পাই চিত্ৰ)

তালিকা- ৩.৩ ঃ সময়কালীন সমীক্ষা

চিত্ৰ- ৩.৩ ঃ ঋতুভিত্তিক কৃষিৰ ধৰণ

তালিকা- ৩.৪ ঃ ঋতুভিত্তিক শস্যৰ ধৰণ

৩.৫ ঃ ভেন ডায়েগ্ৰাম

পৰিশিষ্ট ৪

জে এফ এম চিৰ সদস্যৰ তালিকা

পৰিশিষ্ট ৫ (আলোকচিত্ৰ)

পৰিশিষ্ট ৬

তালিকা সময়কালীন সমীক্ষা

তথ্য ২

## ১। ভূমিকা

| | |
|---|---|
| **প্ৰকল্পটোৰ সম্পৰ্কে** | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ (এ পি এফ বি চি) উদ্দেশ্য হৈছে— নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সম্প্ৰদায়সমূহৰ অংশগ্ৰহণ আৰু বনজ আৰু বনজবহিৰ্ভূত স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সুসংহত পৰিকল্পনাৰ দ্বাৰা অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা। প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সম্প্ৰদায়সমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br><br>উপৰ্য্যুক্ত প্ৰকল্পলৈ বিত্তীয় সাহায্য আগবঢ়াইছে এজেন্স ফ্ৰান্স ডি ডেভেলপমেণ্ট (এফ ডি) অৰ্থাৎ ফ্ৰেঞ্চ ডেভেলপমেণ্ট এজেন্সি। অসম চৰকাৰেও সহযোগী হিচাপে আৰ্থিক অনুদান আগবঢ়াইছে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, পৰ্যবেক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাসহ সকলো কামৰ দায়িত্বত আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটি কনজাৰভেচন ছোচাইটি। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজন হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ সক্ষমতা বৃদ্ধি কৰাও দৰকাৰ।<br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্টাৰপ্ৰিনিয়ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন) আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান আৰু বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **কাৰৱালাংৰু জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ ডিমা হাছাও জিলাত অৱস্থিত কাৰৱালাংৰু জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা এই নথিত প্ৰকাশ কৰা হৈছে। এই জে এফ এম চি ডিমা হাছাও বন চক্ৰৰ পশ্চিম হাফলং বন সংমণ্ডলৰ অধীনত পৰে। পৰৱৰ্তী অধ্যায়ত সম্প্ৰদায়ৰ বিৱৰণ দিয়া হৈছে।<br>বৰ্তমান ক্ষুদ্ৰ পৰিকল্পনা সম্প্ৰদায়ৰ পুৰুষ আৰু মহিলাসহ সকলো সদস্যৰ অংশগ্ৰহণৰ জৰিয়তে প্ৰস্তুত কৰা হৈছে। ২০১৬ চনৰ জুন মাহত গুৱাহাটীৰ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (আই আই ই)ৰ বিষয়া আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ দ্বাৰা অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ণৰ ফল হিচাপেই এই নথি প্ৰস্তুত হৈছে। প্ৰকল্প নিৰ্দেশিকাৰ ভিত্তিত আই আই ইৰ দ্বাৰা ক্ষুদ্ৰ পৰিকল্পনা যুগুতোৱা হৈছে। ২০১৬ চনৰ জুলাই মাহত গৃহীত কৰাৰ বাবে এই নথি আলোচনা কৰি চূড়ান্ত কৰা হৈছে। |

## ২। গাঁৱৰ আৰ্থ-সামাজিক বিৱৰণ

<table>
<tr>
<td>অৱস্থিতি</td>
<td>পানীমূৰ অশ্ৰেণীভুক্ত ৰাজ্যিক বনাঞ্চলৰ (ইউ এছ্ এফ) প্ৰান্তসীমাত অৱস্থিত লংকুপুৰ আৰু ল'ৰুলাংছো গাঁৱত বসবাসকাৰী বৰ্তমান সম্প্ৰদায়ক সামৰি লোৱাৰ বাবে কাৰৱালাংৰু যুটীয়া বন পৰিচালনা সমিতি (জে এফ এম চি) গঠন কৰা হৈছে। জে এফ এম চিত সামৰি লোৱা উক্ত এলেকা অসমৰ ডিমা হাচাও জিলাৰ হাফলং বন সংমণ্ডলৰ অধীনত পৰে।<br><br>পৰিশিষ্ট-১-ত গাঁৱৰ মানচিত্ৰ দিয়া হৈছে।</td>
</tr>
<tr>
<td>মূল তথ্য</td>
<td>জে এফ এম চিৰ মূল তথ্য তলত উল্লেখ কৰা হ'ল।<br><br>তালিকা-ক ঃ জে এফ এম চিৰ মূল তথ্য
<table>
<tr><td>জে এফ এম চিৰ নাম</td><td>কাৰৱালাংৰু</td></tr>
<tr><td>বসতিস্থান</td><td>ল'ংকুপুৰ আৰু ল'ৰুলাংছো</td></tr>
<tr><td>ৰাজহ গাঁৱৰ নাম</td><td>নাই</td></tr>
<tr><td>গাঁও পঞ্চায়ত-ভিচিডিচিৰ নাম</td><td>নাই</td></tr>
<tr><td>ৰাজহ চক্ৰৰ</td><td>নাই</td></tr>
<tr><td>জিলা</td><td>ডিমা হাচাও</td></tr>
<tr><td>বন সংমণ্ডল</td><td>পশ্চিম হাফলং</td></tr>
<tr><td>বন আঞ্চলিক</td><td>পানীমূৰ</td></tr>
<tr><td>বন লাট</td><td>নাই</td></tr>
<tr><td>গঠনৰ বছৰ</td><td>২০১৫-১৬</td></tr>
<tr><td>জে এফ এম চিৰ চাৰিসীমা</td><td>উত্তৰ ঃ লংকা উমৰাংছো ৰোড<br>দক্ষিণ ঃ ইউ এছ্ এফ<br>পশ্চিম ঃ ইউ এছ্ এফ<br>পূব ঃ লাংৰি নলা</td></tr>
</table>
উৎস ঃ জে এফ এম চিৰ তথ্য আৰু ২০১৬ চনৰ জুনত অনুষ্ঠিত পি আৰ এ অনুশীলনৰ সময়ত হোৱা আলোচনা<br>অতিৰিক্ত বৰ্ণনা তথ্য-১ৰ তালিকা-১ত দিয়া হৈছে (পৰিশিষ্টত দিয়া আছে)।</td>
</tr>
<tr>
<td>কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ</td>
<td>জে এফ এম চিৰ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ তলৰ তালিকাত দিয়া হ'ল।<br><br>তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ
<table>
<tr><td>সভাপতিৰ নাম</td><td>মৈৰেন্দ্ৰ কেম্প্ৰাই</td></tr>
<tr><td>সদস্য সচিবৰ নাম</td><td>জনঞ্জয় হাফলংবাৰ</td></tr>
<tr><td>কোষাধ্যক্ষৰ নাম</td><td>ৰোপোনন নাইডিং</td></tr>
<tr><td>কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা</td><td>পুৰুষ ঃ ১২ মহিলা ঃ ৩</td></tr>
<tr><td>সাধাৰণ সমিতিৰ সদস্য সংখ্যা</td><td>পুৰুষ ঃ মহিলা ঃ</td></tr>
</table>
উৎস ঃ জে এফ এম চিৰ তথ্য।</td>
</tr>
</table>

| | |
|---|---|
| **পৰিয়াল আৰু জনসংখ্যা গাঁথনি** | গাঁওখনত ৩৬টা গৃহস্থ পৰিয়াল আছে, ইয়াৰে আটাইবোৰ পৰিয়ালেই বি পি এল (দাৰিদ্ৰ সীমাৰেখাৰ তলৰ)। মহিলা মুৰব্বী থকা কোনো পৰিয়াল নাই।<br>মুঠ জনসংখ্যা ৩০৭, ইয়াৰে ১১৭জন পুৰুষ আৰু ৯০ গৰাকী হৈছে মহিলা। জনসংখ্যাৰ এশ শতাংশই অনুসূতি জনজাতি (পাৰ্বত্য) সম্প্ৰদায়ৰ।<br>**তথ্য ঃ ১ তালিকা-২**ত এই সংক্ৰান্তত অধিক তথ্য দিয়া হৈছে।<br>ইয়াৰ জনা যায় যে ঃ<br>ক) প্ৰতিটো পৰিয়ালৰ গড় লোকৰ সংখ্যা ৫.৩।<br>খ) গাঁও দুখনৰ লিঙ্গানুপাত হৈছে প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে ৯৮৭ গৰাকী মহিলা। |
| **শিক্ষা আৰু দক্ষতা বিকাশ** | জনসংখ্যাৰ ৭১.৯৮ শতাংশতকৈ অধিক লোক নিৰক্ষৰ বুলি তথ্য পোৱা গৈছে। সম্প্ৰদায়ৰ বেছিভাগ সদস্যয়ে বিদ্যালয় পৰ্যায়ৰ শিক্ষা গ্ৰহণ কৰিছে। আনহাতে তুলনামূলকভাৱে কেইটামান পৰিয়ালতহে কলেজীয়া শিক্ষাৰে শিক্ষিত সদস্য আছে।<br>জীৱিকা দক্ষতা সাধাৰণতে বিভিন্ন প্ৰকাৰত উপলব্ধ— আনুষ্ঠানিক আৰু অনানুষ্ঠানিক। জে এফ এম চি এলেকাত, দক্ষতা উন্নয়নৰ অনানুষ্ঠানিকৰ অৰ্থ হ'ল পৰম্পৰাগত পদ্ধতি। জনসাধাৰণৰ নিম্নোক্ত ক্ষেত্ৰসমূহত পৰম্পৰাগত দক্ষতা আছে।<br>ক) চিলাই<br>খ) হস্তশিল্প<br>গ) পশুপালন<br>ঘ) কৃষি<br>সমগ্ৰ দেশৰ লগতে ৰাজ্যখনতো আনুষ্ঠানিক দক্ষতা উন্নয়ন কাৰ্যসূচী প্ৰসাৰৰ বাবে চৰকাৰে সক্ৰিয় ভূমিকা পালন কৰি আহিছে। বসতি অঞ্চল বা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত এই ধৰণৰ কোনো কৰ্মসূচী ৰূপায়ণৰ জৰিয়তে গাঁওখন উপকৃত হোৱা বুলি জানিব পৰা হোৱা নাই। |
| **মাটি** | ইয়াত তিনিপ্ৰকাৰৰ মাটি উপলব্ধ।<br>* পাৰ্বত্য এলেকাত বালিচহীয়া<br>পাৰ্বত্য এলেকাৰ দক্ষিণ ভাগত লেট্ৰি মাটি। সামগ্ৰিকভাৱে মাটি সাৰুৱা হোৱা বাবে উভয় প্ৰকাৰৰ মাটি শস্য উৎপন্নৰ বাবে উপযোগী। |
| **পানী** | এই এলেকাৰ মাজেদি কপিলি নৈ প্ৰবাহিত হৈছে। কপিলি হৈছে উত্তৰ-পূব ভাৰতৰ এখন আন্তঃৰাজ্যিক নদী, যি নদী মেঘালয় আৰু অসমৰ মাজেদি বৈ গৈছে। এইখন অসমত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ সৰ্ববৃহৎ উপনদী। নৈখন বড়াইল পাহাৰৰ পৰা নামি আহিছে। |
| **জলবায়ু ঃ উষ্ণতা আৰু বৰষুণ** | বৰাক উপত্যকাতো আৰ্দ্ৰভূমি আছে, স্থানীয়ভাৱে এইবোৰক বিল বুলি কোৱা হয়। এইবোৰ মাছ আৰু অন্যান্য জলজ সম্পদেৰে চহকী।<br>সৰ্বোচ্চ তাপমাত্ৰা সাধাৰণতে জুলাই-আগষ্ট মাহত (৩০° চেলচিয়াছ) আৰু সৰ্বনিম্ন তাপমাত্ৰা ডিচেম্বৰ-জানুৱাৰী মাহত (৮° চেলচিয়াছ) লক্ষ্য কৰা হয়।<br>বাৰিষা বৰষুণৰ পৰিমাণ হৈছে ২২০০-ৰ ২৭০০ মিলিমিটাৰ লৈকে। দুই তৃতীয়াংশ বৰষুণ সাধাৰণতে ঋতুতেই (জুন-ছেপ্টেম্বৰ) হয়। গাঁওখনত বাৰিষাৰ মাহবিলাত |

| | |
|---|---|
| | আৰ্দ্ৰতাৰ মাত্ৰা উচ্চ (৮৭শতাংশ) আৰু শীতকালত কম (৭০শতাংশৰ তলত)।<br>স্থানীয় বনাঞ্চল বিস্তৃতভাৱে গ্ৰীষ্মমণ্ডলীয় আৰ্দ্ৰ চিৰহৰিৎ বনাঞ্চল হিচাপে শ্ৰেণীকৰণ কৰা হৈছে। |
| **বন আৰু জৈৱ-বৈচিত্ৰ্য** | নিকটৱৰ্তী বনাঞ্চল বিভিন্ন উদ্ভিদ প্ৰজাতিয়ে চহকী কৰিছে। এইবোৰৰ ভিতৰত প্ৰধান হ'ল হালডু, গমাৰি, তিতাচপা, নাহৰ, বনছাম, বগীপোমা, ব'লা, কৰৈ, ভেলু, মাক্ৰি, শাল আদি। বনাঞ্চলসমূহৰ পৰা বহু প্ৰজাতিৰ কাঠভিন্ন বনজ উৎপাদনো সংগ্ৰহ কৰিব পাৰি। এইবোৰ হৈছে শাক-পাচলি, ঢেকীয়া, ভেষজ উদ্ভিদ, বাঁহ, বেত, খেৰ, পশুখাদ্য, ঝাৰু আদি।<br>এই সম্পৰ্কীয় অতিৰিক্ত তথ্য 'বনোন্নয়ন পৰিকল্পনা'ত দিয়া হৈছে। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | গাঁৰৰ ভূমি ব্যৱহাৰৰ ধৰণ পৰিশিষ্ট-২ত দিয়া হৈছে। এই পৰিশিষ্ট অনুসৰি গাঁৰৰ ভূমি ব্যৱহাৰৰ নিম্নোক্ত ধৰণ দেখা গৈছে ঃ<br>* শস্যভূমি (জুম খেতি).......৩০%<br>* বৃক্ষ আচ্ছাদিত এলেকা........২০%<br>* বসতি এলেকা.......৮%<br>* জলাশয়........১৭% (পানী আবদ্ধ হৈ থকা এলেকা নাই)<br>* অনুৰ্বৰ পতিত মাটি ঃ ১৯ শতাংশ * অন্যান্য ঃ ৬ শতাংশ। |
| **ভূমি মালিকানা** | প্ৰতিটো পৰিয়ালৰ ভূমি ধাৰণৰ ধৰণ **নথি-(I)ৰ তালিকা-৩**ত উল্লেখ কৰা হৈছে। এই তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>* কোনো পৰিয়াল ভূমিহীন নহয়।<br>* ৫০% পৰিয়াল হৈছে উপান্ত কৃষক (২ হেক্টৰতকৈ কম ভূমি, ১৮টা পৰিয়াল)<br>* ক্ষুদ্ৰ কৃষক (২-১০ হেক্টৰ) ৫০% (১৮টা পৰিয়াল) |
| **পশুধন** | গাঁওখনত পশুধনৰ মুঠ ২৭০টা। পৰিয়ালসমূহে প্ৰতিপালন কৰা ঘাই ঘাই পশুধন হৈছে ঃ<br>* গাইগৰু ঃ ৮৫<br>* ছাগলী ঃ ১১৫<br>* গাহৰি ঃ ৫৫<br>উপৰোক্ত বিষয়ত বিতংভাৱে **তথ্য-(I)ৰ তালিকা-৪**ত উল্লেখ কৰা হৈছে। |
| **গাঁৰৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা** | যিকোনো জনগোষ্ঠীতে সাধাৰণ আন্তঃগাঁথনিৰ উপলব্ধতাই জীৱিকাৰ নিৰ্বাহক্ষম উপায় উন্নয়নত সহায় কৰে। গাঁওখনত বৰ্তমানৰ আন্তঃগাঁথনিৰ অৱস্থা সন্তোষজনক নহয়। **তথ্য-(I)ৰ তালিকা-৫**ত গাঁৰৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা দাঙি ধৰা হৈছে।<br>ওপৰৰ তালিকাৰ পৰা গাঁওখনৰ বৰ্তমানৰ আন্তঃগাঁথনি সন্দৰ্ভত তলৰ তথ্যসমূহ লাভ কৰিব পাৰি ঃ<br>**বস্তুগত আন্তঃগাঁথনি ঃ** অঞ্চলটোৰ বাসিন্দাসকলে মূল বাস্তৱিক আন্তঃগাঁথনিৰ পৰা বঞ্চিত হৈ আহিছে। ইয়াত উন্নত বাস্তৱিক আন্তঃগাঁথনি যেনে ভাল ৰাস্তা, বিদ্যুৎ সংযোগ, পানী যোগান আৰু মোবাইল সংযোগ আদি নাই।<br>**শিক্ষা আৰু স্বাস্থ্য সেৱা ঃ** অঞ্চলটোত শিক্ষা ব্যৱস্থা সন্তোষজনক নহয়। ইয়াত |

| | |
|---|---|
| | সীমিতসংখ্যক শিক্ষানুষ্ঠান, স্বাস্থ্যকেন্দ্ৰ আছে যথেষ্ট দূৰত্বত অৱস্থিত। ৰাজহুৱা পৰিবহণ ব্যৱস্থা নাই। গাঁৱৰ লোকসকলে ইফাল-সিফাল কৰিবৰ বাবে চাইকেল ব্যৱহাৰ কৰে।<br>**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয় (যেনে আৰক্ষী থানা, ৰাজহ কাৰ্যালয়, বন আঞ্চলিক কাৰ্যালয় আদি) গাঁওখনৰ পৰা যথেষ্ট দূৰৈত অৱস্থিত। সেয়ে গাঁওবাসীয়ে প্ৰয়োজনৰ সময়ত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগা হয়।<br>**বিত্তীয় প্ৰতিষ্ঠান ঃ** গাঁওখনৰ পৰা বিত্তীয় প্ৰতিষ্ঠান যেনে বেংক, ডাকঘৰ যথেষ্ট দূৰৈত অৱস্থিত। সেয়ে সম্প্ৰদায়ৰ লোকসকলৰ কোনো বেংক বা ডাকঘৰত কোনো একাউণ্ট নাই। |
| **কৃষিশস্য** | গাঁওখনৰ কৃষিশস্যৰ সবিশেষ **তথ্য-(I)ৰ তালিকা-৬ত** বিশদভাৱে উল্লেখ কৰা হৈছে। গাঁৱত উৎপাদিত কৃষিজাত শস্যৰ বিতং তথ্য নথি-১ৰ তালিকা ৬ত দিয়া হৈছে। উপযুক্ত তথ্যত দেখুওৱা মতে গাঁওখনত প্ৰধান প্ৰধান নিম্নোক্ত শস্যবোৰ উৎপাদিত হয়।<br>খাৰিফ শস্য ঃ ধান, তিলবীজ, জলকীয়া<br>ৰবি শস্য ঃ আদা, ঝাৰু<br>অন্যান ঃ উদ্যান শস্য।<br>আটাইবোৰ শস্য উৎপাদন বৰষুণৰ ওপৰত নিৰ্ভৰশীল। |
| **শস্য উৎপাদনৰ ৰূপৰেখা** | গাঁওখনত উৎপাদিত কৃষিজাত শস্যৰ বিতং ৰূপৰেখা **তথ্য-(I)ৰ তালিকা-৭ত** সন্নিৱিষ্ট কৰা হৈছে। পৰিয়ালসমূহ সৰ্বাধিক সদস্য ধান আৰু তিল বীজ উৎপাদত জড়িত।<br>উৎপাদনৰ আৰু পৰিমাণৰ হাৰ নিম্নৰূপ ঃ<br>ক) ধান ঃ উৎপাদন ৪০.৬৭ কুইণ্টল, উৎপাদনৰ হাৰ ২০ কুইণ্টল-হেক্টৰ।<br>খ) পাচলি ঃ উৎপাদন ৩ কুইণ্টল, উৎপাদনৰ হাৰ ৩.৫ কুইণ্টল-হেক্টৰ। |
| **পশুখাদ্যৰ পৰ্যাপ্ততা** | গাঁৱৰ পশুখাদ্যৰ উপলব্ধতা সম্পৰ্কীয় বিষয়ত **নথি-(I)ৰ তালিকা-৮ত** উল্লেখ কৰা হৈছে। ওপৰৰ পৰা এইটো দেখুৱায় যে গাঁৱৰ পশুখাদ্যৰ প্ৰধান উৎসসমূহ হ'ল ঃ<br>* শস্যৰ অৱশিষ্টাংশ<br>* বনভূমিত চাৰণ<br>* ঘৰুৱা শাক-পাচলিৰ অৱশিষ্ট<br>* সেউজীয়া খাদ্য |
| **বজাৰ** | গাঁৱৰ পৰা বিভিন্ন বজাৰৰ দূৰত্ব **নথি-(I)ৰ তালিকা-৯ত** উল্লেখ কৰা হৈছে। সম্প্ৰদায়ে ব্যৱহাৰ কৰা প্ৰধান বজাৰসমূহ আৰু জে এফ এম চিৰ পৰা দূৰত্ব তলত উল্লেখ কৰা হ'ল ঃ<br>* গেলামাল/সুলভ মূল্যৰ দোকান ঃ ১২ কিঃমিঃ দূৰত পানীমূৰ বাছ আস্থান |

| | |
|---|---|
| | * সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ ৪০ কিলোমিটাৰ দূৰৈত উমৰাংছুত<br>* প্ৰধান বজাৰ ঃ ১২ কিলোমিটাৰ দূৰৈত উমৰাংছুত। |
| **জল সম্পদ** | **নথি-(I)ৰ তালিকা-১০ত** জলসম্পদৰ তথ্য দিয়া হৈছে। পানীৰ প্ৰধান উৎসবোৰ আৰু পানীৰ পৰ্যাপ্ততা নিম্নৰূপ ঃ<br>* প্ৰাকৃতিক খাল ঃ (১টা) ঃ পানীৰ পৰ্যাপ্ততা ঃ গোটেই বছৰ<br>* জলধাৰা ঃ (২টা) ঃ পানীৰ পৰ্যাপ্ততা ঃ গোটেই বছৰ |
| **শক্তিৰ ব্যৱহাৰ** | গাঁওখনত শক্তিৰ ঘাই ঘাই উৎসবোৰ **নথি-(I)ৰ তালিকা-১১ত** দেখুওৱা হৈছে। তালিকাত উল্লিখিত তথ্য নিম্নৰূপ ঃ<br>ক) কাঠখৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৩৬টা, উৎস ঃ স্থানীয় বনাঞ্চল |
| **আৰ্থ-সামাজিক স্থিতি** | **সামাজিক গাঁথনি ঃ** গাঁৱৰ বাসিন্দাসকল প্ৰধানতঃ অ' বি চি শ্ৰেণীৰ। সমাজত সামগ্ৰিকভাৱে গভীৰ জাত-পাতৰ বিভাজন নাই। মহিলাসকলৰ অৱস্থা সন্তোষজনক।<br>**অৰ্থনৈতিক অৱস্থা ঃ** গাঁওবাসীৰ সামগ্ৰিক অৰ্থনৈতিক অৱস্থা সন্তোষজনক। পৰিয়ালসমূহৰ বাৰ্ষিক গড় উপাৰ্জন ১০,০০০-১৫,০০০ টকাৰ ভিতৰত।<br>জীৱিকাৰ কাৰণে যুৱকসকল বা অন্যান্যৰ ব্যাপক হাৰত বহিৰ্গমন হোৱা নাই।<br>অতিৰিক্ত তথ্য পৰৱৰ্তী অধ্যায়ত দিয়া হৈছে। |
| **মানচিত্ৰ** | অংশগ্ৰহণমূলক (পি আৰ এ) অনুশীলনৰ ভিত্তিত প্ৰস্তুত কৰা তলৰ মানচিত্ৰসমূহ পৰিশিষ্ট-১ত সন্নিৱিষ্ট কৰা হৈছে।<br>* গাঁৱৰ মানচিত্ৰ<br>* গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ)<br>* গাঁৱৰ সম্পদ মানচিত্ৰ |

## ৩। জীৱিকাৰ সুবিধা বিশ্লেষণ

| | |
|---|---|
| **পি আৰ এ অনুশীলন** | গুৱাহাটীৰ আই আই ইৰ দলে কাৰৱালাংৰু জে এফ এম চিত অনুষ্ঠিত কৰা পি আৰ এ অনুশীলন তলত উল্লেখ কৰা হ'ল ঃ<br>**তাৰিখ ঃ** ১২-৬-২০১৬<br>**স্থান ঃ** স্থানীয় গাঁও<br>**উপস্থিত লোকৰ সংখ্যা ঃ** ২০<br>**উপস্থিত থাকে ঃ** জে এফ এম চিৰ বিষয়ববীয়াসকল, গাঁওবুঢ়া, সম্প্ৰদায়ৰ সদস্যসকল, বন বিভাগৰ কৰ্মচাৰীসকল আদি। |
| **পি আৰ এৰ উদ্দেশ্য** | উদ্দেশ্য হৈছে বৰ্তমান পৰিয়ালসমূহৰ অৱস্থা অধ্যয়ন কৰা আৰু জীৱিকা উন্নয়নৰ উপায়ৰ উন্নয়ন আৰু বন উন্নয়ন পৰিকল্পনাৰ বাবে সম্প্ৰদায়ৰ প্ৰাথমিক তথ্য সংগ্ৰহ কৰা। |
| **পি আৰ এত ব্যৱহৃত সা-সৰঞ্জাম আৰু জ্ঞাত তথ্য** | বিভিন্ন সৰঞ্জাম ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ পৰা ফলাফল লাভ কৰা হয়। ইয়াৰ ভিতৰত ঃ<br>* সামাজিক মানচিত্ৰায়ন<br>* সম্পদ মানচিত্ৰায়ন<br>* সম্পদৰ স্থানাংক নিৰ্ধাৰণ<br>* জীৱিকাৰ ঋতুকালীনতা আৰু<br>* ভেন ডায়েগ্ৰাম<br>**পৰিশিষ্ট- ৩** বিতংভাৱে উল্লেখ কৰা হৈছে |
| **স্থানাংক** | নিম্নোক্ত বিষয়বোৰৰ বাবে স্থানাংক নিৰ্ধাৰণ কৰা হৈছে ঃ<br>*** জীৱিকা আৰু দক্ষতা উন্নয়ন**<br>*** প্ৰাৰম্ভিক কাম-কাজ (ই পি এ)**<br>ওপৰৰ বিষয়বোৰ **পৰিশিষ্ট-৩-ত** বিতংভাৱে উল্লেখ কৰা হৈছে। এইবোৰ বিষয় এনেধৰণৰ ঃ<br>জীৱিকা আৰু দক্ষতা উন্নয়নৰ স্থানাংক<br>১। কৃষি<br>২। পশুপালন<br>৩। বয়ন-চিলাই কাম |

**ই পি এ-ৰ স্থানাংক**

| | স্থানাংক অনুসৰি গাঁৱৰ ই পি এ | বিতং বিৱৰণ (পৰিশিষ্ট- III-ত অতিৰিক্ত তথ্য দিয়া হৈছে) | ধনৰ সম্ভাব্য উৎস / বিভাগ |
|---|---|---|---|
| ১। | গাঁৱৰ পথ | গাঁৱৰ পৰা পানীমূৰ বজাৰ এলেকালৈ মটৰগাড়ী যাব পৰা পথ নিৰ্মাণ, বাছ আস্থান | পিএমজিএছৱাই গড়কাপ্টানী বিভাগ |
| ২। | স্বাস্থ্য কেন্দ্ৰ | গাঁৱৰ ভিতৰত উপ-কেন্দ্ৰ | এন এইচ এম স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ |
| ৩। | সৌৰ সংযোগ | প্ৰতিটো পৰিয়াললৈ সৌৰ সংযোগৰ ব্যৱস্থা কৰিলে সমগ্ৰ সমাজ উপকৃত হ'ব। কম খৰচ আৰু সমভাৱে বিতৰণ | নাবাৰ্ড |
| ৪। | এল পি জি সংযোগ | এল পি জি হৈছে কাঠখৰিৰ বিকল্প। উপযুক্ত আৰু কাৰ্যকৰী ৰন্ধন প্ৰণালীৰ লগতে পৰিৱেশ সহায়ক আৰু কম খৰচ | প্ৰধান মন্ত্ৰী উজ্জ্বলা যোজনা আঁচনি |
| ৫। | অনাময় | পৰিয়ললৈ শৌচাগাৰ প্ৰদান- কণ খৰচ, ছেপটিক আৰু অনাময় ধৰণৰ | স্বচ্ছ ভাৰত অভিযান, পি এইচ ই |

❒ জীৱন ধাৰণৰমান উন্নত কৰিবৰ বাবে ই পি এ-ৰ পৰা ২ লাখ টকাৰ মূলধনৰ যোগান কৰা।

❒ জে এফ এম চি-ৰ সীমাৰ ভিতৰত জে এম এম চি-ৰ কাৰ্যালয় স্থাপন কৰা যাতে সাঁ-সজুলি, কাৰিকৰী আচবাব ব্যৱহাৰ কৰিব পৰা যায়।

❒ উমৈহতীয়া ৰাজহুৱা জীৱিকা কামকাজ উন্নত কৰাৰ ই পি এ নিধিৰ পৰা এটা কম খৰচৰ গোহালি ঘৰ নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগিব।

**জীৱিকাৰ সুবিধাসমূহ**

জীৱিকাৰ সুবিধাসমূহ তলত দিয়াৰ দৰে চিনাক্ত কৰা হ'ল ঃ
কৃষি আৰু উদ্যান শস্য
* পশুধন
* এন টি এফ পি
* দক্ষতা উন্নয়ন ঋণৰ সুবিধা

ওপৰৰ বিষয় সম্পৰ্কে অধিক আলোচনা তলত উল্লেখ কৰা হ'ল।

**বন উনয়নন সুবিধাসমূহ**

বন উন্নয়ন সুবিধা সন্দৰ্ভত স্থানীয় বাসিন্দাৰ সজাগতা ওপৰত ভিত্তি কৰি কাৰৱালাংক জে এফ এম চিৰ ৰেংকিং কৰা হয়। প্ৰকল্পস্থলীৰ বন উন্নয়ন পৰিকল্পনাৰ ভিত্তিত ৰেংকিং তলত উল্লেখ কৰা হৈছে।

* কাঠখৰি ৰোপণ
* ভূমিৰ সীমা নিৰ্ধাৰণ
* কাঠ ভিন্ন বন উৎপাদন, ঔষধি গেছ ৰোপণ
* নাৰ্চাৰীত উৎপাদিত গছপুলি ৰোপণ

| | |
|---|---|
| | * বনাঞ্চল ধ্বংস হোৱা অঞ্চলৰ উন্নয়ন<br>* বাঁহ ৰোপণ<br>* বন সুৰক্ষা<br>* প্ৰাকৃতিক পুনঃউৎপাদন<br>* পশুখাদ্য ৰোপণ |
| **কৃষি আৰু উদ্যানশস্য** | **নথি-(II)**ৰ **তালিকা-১২**ত কৃষি আৰু উদ্যানশস্যৰ সুযোগসমূহৰ বাবে চাব পাৰে।<br>**প্ৰধান বাধাবোৰ হৈছে ঃ**<br>(ক) সাৰ, কীটনাশক-পতংগনাশক দৰবৰ অতি কম ব্যৱহাৰ।<br>(খ) জলসিঞ্চন ব্যৱস্থাৰ অভাৱ।<br>(গ) কৃষি আন্তঃগাঁথনি, পাৱাৰটিলাৰ, ট্ৰেক্টৰ আদিৰ দৰে আধুনিক যন্ত্ৰপাতি-সা-সুঁজলিৰ অভাৱ।<br>(ঘ) অধিক উৎপাদনশীল বীজ আদি ব্যৱহাৰ নকৰা<br>**সুযোগসমূহ**<br>ক) যথোপযুক্ত আৰু নিয়ন্ত্ৰিতভাৱে কীটনাশক আৰু পতংগনাশক দৰবৰ প্ৰয়োগ।<br>খ) নতুন আৰু অত্যাধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ।<br>গ) সু-সংগঠিত প্ৰশিক্ষণ কৰ্মসূচী। খেতি কামৰ দক্ষতা গাঁওবাসীয়ে পৰম্পৰাগতভাৱে আহৰণ কৰিছে। তেওঁলোকৰ সকলোৰে দক্ষতাৰ পৰ্যায় উন্নত কৰা দৰকাৰ।<br>**পৰামৰ্শমূলক কৰ্মসূচীসমূহ হৈছে ঃ**<br>* ট্ৰেক্টৰ চলোৱাৰ প্ৰশিক্ষণ<br>* কৃষি-দক্ষতা উন্নয়ন কৰ্মসূচী<br>* কীটনাশক, পতংগনাশক, সংকৰ প্ৰজাতিৰ শস্যৰ খেতি আদি সম্পৰ্কে প্ৰশিক্ষণ |
| **পশুধন** | পশুধন পালন-প্ৰজননৰ সুযোগ সম্পৰ্কে অধিক তথ্য **তালিকা-১৩**ত দিয়া হৈছে।<br>**প্ৰধান বাধাবোৰ হৈছে ঃ**<br>ক) শোচনীয় বিত্তীয় অৱস্থাৰ কাৰণে বজাৰৰ পৰা পশুখাদ্য ক্ৰয় কৰাৰ অক্ষমতা।<br>খ) গছৰ পাত আদি পশুখাদ্য, শস্যৰ অৱশিষ্টাংশ মাত্ৰ ৩-৬ মাহৰ বাবে চলে। গোটেই বছৰজুৰি সেউজ খাদ্য পৰ্যাপ্ত নহয়।<br>গ) পশু চিকিৎসালয় নাই।<br>ঘ) পশুপালন সম্পৰ্কে উপযুক্ত জ্ঞানৰ অভাৱ।<br>**সুযোগসমূহ হৈছে ঃ**<br>ক) পশুপালনৰ জৰিয়তে অধিক উপাৰ্জন।<br>খ) তিনিচুকীয়া জিলা মুখ্য কাৰ্যালয়ত গাখীৰৰ উচ্চ চাহিদাৰ এখন বজাৰ উপলব্ধ।<br>**পৰামৰ্শমূলক কৰ্মসূচীসমূহ হৈছে ঃ**<br>ক) গাহৰি পালন<br>খ) কুকুৰা পালন |
| **কাঠ ভিন্ন বন উৎপাদন (এন টি এফ পি)** | এন ডব্লিউ এফ পিৰ সুবিধাসমূহ **তথ্য-২**ৰ **তালিকা-১৪**ত প্ৰদান কৰা হৈছে।<br>**প্ৰধান বাধাসমূহ হৈছে ঃ**<br>ক) এন ডব্লিউ এফ পিৰ কম উপলব্ধতা।<br>খ) কাৰিকৰী জ্ঞান নাই<br>গ) সংসাধন গোট নাই।<br>**সুবিধাসমূহ হ'ল —**<br>ক) সাৰুৱা পতিত মাটিৰ পৰ্যাপ্ততা।<br>**পৰামৰ্শমূলক কাৰ্যসূচীসমূহ হ'ল—**<br>ক) খাদ্য উদ্ভিদৰ খেতি।<br>খ) ভেষজ উদ্ভিদ-ভেষজ আৰু সুগন্ধি উদ্ভিদ আদি। |

| | |
|---|---|
| **বিশেষীকৃত দক্ষতা** | দক্ষতা উন্নয়ন আৰু ইয়াৰ সুযোগ সম্পৰ্কীয় তথ্য **নথি-২**ৰ **তালিকা-১৫**ত দিয়া হৈছে।<br>**প্ৰধান বাধাসমূহ হৈছে ঃ**<br>* উৎপাদন বিবিধতাৰ অভাৱ।<br>* উৎপাদিত সামগ্ৰীৰ গুণগত মান সম্পৰ্কে গৱেষণাৰ অভাৱ।<br>* টি কিউ এম কলা-কৌশলৰ অভাৱ।<br>**সুবিধাসমূহ হ'ল —**<br>* ভাল যোগাযোগ ব্যৱস্থা প্ৰদান<br>* দক্ষতা আহৰণকাৰীৰ প্ৰশিক্ষণ<br>* চৰকাৰৰ তৰফৰ পৰা বিত্তীয় সাহায্য<br>**পৰামৰ্শমূলক কাৰ্যসূচীসমূহ হ'ল—**<br>* আধুনিক যন্ত্ৰপাতি আৰু সা-সজুঁলিৰ ব্যৱহাৰ সম্পৰ্কে প্ৰশিক্ষণ<br>* গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান<br>* দক্ষতা উত্তৰণ আৰু নতুনত উৎপাদন উন্নয়ন আৰু উৎপাদন বিবিধকৰণৰ ওপৰত প্ৰশিক্ষণ<br>* কেঁচামালৰ ভঁৰাল স্থাপন<br>* প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা প্ৰদান। |
| **ঋণৰ সুবিধা** | এই সন্দৰ্ভত **নথি-২**ৰ **তালিকা-১৬**ত আলোচনা কৰা হৈছে।<br>**প্ৰধান বাধাসমূহ আৰু ইয়াৰ কাৰণবোৰ হৈছে ঃ**<br>* বিত্তীয় বহিৰ্ভূত<br>* বেচৰকাৰী ঋণদাতাসকলৰ দ্বাৰা উচ্চ হাৰত সুত ধাৰ্য কৰা<br>**সুযোগসমূহ হৈছে ঃ**<br>* আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন<br>* পৰ্যাপ্ত সজাগতা<br>**পৰামৰ্শমূলক কাৰ্যসূচী হৈছে ঃ**<br>* নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন |
| **কৌশলগত হস্তক্ষেপ** | ওপৰত পৰামৰ্শ হিচাপে আগবঢ়োৱা কৰ্মসূচীসমূহৰ ভিত্তিত নিম্নোক্ত বিষয়সমূহক জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে কৌশলগত হস্তক্ষেপ হিচাপে গণ্য কৰিব পাৰি ঃ<br>১) **কৃষি আৰু উদ্যানশস্য ঃ** ট্ৰেক্টৰ চলোৱাৰ প্ৰশিক্ষণ, কৃষি দক্ষতা উন্নয়ন কাৰ্যসূচী, কীটনাশক, সংকৰ প্ৰজাতিৰ শস্যৰ খেতি সম্পৰ্কে প্ৰশিক্ষণ।<br>২) **পশুপালন ঃ** গাহৰি পালন, কুকুৰা পালন।<br>৩) **এন ডব্লিউ এফ পি ঃ** খাদ্য উদ্ভিদৰ খেতি, ভেষজ উদ্ভিদ আদি।<br>৪) **বিশেষ দক্ষতা ঃ** আধুনিক যন্ত্ৰপাতি আৰু সা-সঁজুলি সম্পৰ্কে প্ৰশিক্ষণ, গাঁওবাসীক আধুনিকপ্ৰযুক্তি প্ৰদান, দক্ষতা উন্নয়ন আৰু নতুন সামগ্ৰী উৎপাদন আৰু বিবিধ প্ৰকাৰ সামগ্ৰী উৎপাদন সম্পৰ্কে প্ৰশিক্ষণ, কেঁচামালৰ ভঁৰাল স্থাপন, প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা গ্ৰহণ।<br>৫) **ঋণ সুবিধা ঃ** নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |

| | |
|---|---|
| **জীৱিকাৰ সুযোগ বিশ্লেষণ** | নিম্নোক্ত বিষয়সমূহৰ সাহায্যত জীৱিকাৰ সুযোগ বিশ্লেষণৰ ৰূপৰেখা তৈয়াৰ কৰা হৈছে ঃ<br>* জীৱিকা সম্পদ<br>* জীৱিকা পৰিপ্ৰেক্ষিত<br>* সম্ভাব্য জীৱিকাৰ সন্দৰ্ভত অগ্ৰাধিকাৰ স্থানাংক<br>পি আৰ এ অনুশীলনৰ সময়ত ডি এফ ডি আই-ৰ (ডিপাৰ্টমেণ্ট অব্ ইণ্টাৰনেচনেল ডেভেলপমেণ্ট) স্থিতিশীল জীৱিকা নিৰ্দেশিকা ব্যৱহাৰ কৰি বগাপানী পাণবাৰী জে এফ এম চিৰ জীৱিকা পৰিস্থিতি বিশ্লেষণ কৰা হৈছে। নিম্নোক্ত ভিত্তিত জে এফ এম চি-ৰ বৰ্তমান জীৱিকা পৰিস্থিতিৰ ৰূপৰেখা তৈয়াৰ কৰা হৈছে—<br>১) প্ৰাকৃতিক মূলধন<br>২) বস্তুগত মূলধন<br>৩) সামাজিক মূলধন<br>৪) মানৱ সম্পদ<br>৫) বিত্তীয় মূলধন |
| | **প্ৰাকৃতিক মূলধন ঃ**<br>কাৰবালাংৰু জে এফ এমচিৰ প্ৰধান প্ৰাকৃতিক মূলধন হৈছে অশ্ৰেণীভুক্ত ৰাজ্যিক বনাঞ্চল। অধিকাংশ লোক কাঠখৰি, সেউজ পশুখাদ্য, কাঠ আদিৰ কাৰণে বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল। কৃষি কামৰ উদ্দেশ্যে আৰু পশুধন পালনৰ বাবে গাঁওবাসীয়ে নদীৰ পানী ব্যৱহাৰ কৰে। (অধিক তথ্যৰ বাবে এফ ডি পিৰ তালিকা ১০, ১১ এফ ডি পিৰ তালিকা ৩)<br>**বস্তুগত মূলধন ঃ**<br>কাৰবালাংৰু জে এফ এম চিৰ অধিকাংশ পৰিয়াল খেতিৰ কামত জড়িত আৰু উপান্ত খেতিয়কসকলৰ কৃষি মাটি দুই হেক্টৰতকৈ কম ভূমি মালিকানাৰ ধৰণৰ বিতং তথ্য তালিকা ৩ পৰিশিষ্ট- ৬ত বৰ্ণনা কৰা হৈছে।<br>গাঁওখনৰ আটাইবিলাক আৱাস কেঁচা। শক্তিৰ বিভিন্ন উৎস, যেনে জৈৱ বস্তু, কেৰাচিন, বিদ্যুৎ, এল পি জি আৰু মমৰ ভিতৰত গাঁওবাসীয়ে কেৱল পৰিয়াল আৰু অন্যান্য ব্যৱহাৰৰ কাৰণে কাঠখৰিৰ ওপৰত নিৰ্ভৰ কৰে। কোনো পৰিয়ালৰেই এল পি জি সংযোগ নাই। (দ্ৰষ্টব্য তালিকা ১০, ১১)<br>জে এফ এম চি এলেকাত মাত্ৰ এখন নিম্ন প্ৰাথমিক বিদ্যালয় আছে। অন্য কোনো শিক্ষা প্ৰতিষ্ঠানেই নাই। (দ্ৰষ্টব্য তালিকা ৫)<br>জলসম্পদৰ ক্ষেত্ৰত এশ শতাংশ পৰিয়ালে জলাধাৰ (দুটা) আৰু ডিয়ুং নদীৰ ওপৰত নিৰ্ভৰ কৰে।<br>**সামাজিক মূলধন ঃ**<br>গাঁওবাসীয়ে তেওঁলোকৰ ভূমিকা কাম-কাজ আৰু নিৰ্দিষ্টভাৱে তেওঁলোকে কি সুফল পাবলৈ গৈ আছে সেই সম্পৰ্কে সচেনতাৰ অভাৱৰ কাৰণে জে এফ এম চিৰ কাম-কাজত সম্পূৰ্ণভাৱে জড়িত হোৱা নাই।<br>গাঁওখনত আনুষ্ঠানিক কোনো আত্মসহায়ক গোট নাই। সাধাৰণতে সামাজিক সভা - মেল আদি গাঁৱৰ ভিতৰত গীৰ্জা এলেকাত অনুষ্ঠিত হয়। |

| | |
|---|---|
| | **মানৱ সম্পদ ঃ**<br>জে এফ এম চিৰ মুঠ জনসংখ্যাৰ ৭১.৬৮শতাংশ শিক্ষিত আৰু তাৰেই ২৮.৩২ শতাংশই স্কুলীয়া শিক্ষাৰ উচ্চ প্ৰাথমিক পৰ্যায় অতিক্ৰম কৰিছে।<br><br>**বিত্তীয় মূলধন**<br>জে এফ এম চিৰ এলেকা বা নিকটৱৰ্তী এলেকাত কোনো চৰকাৰী বেংক বা ঋণদাতা প্ৰতিষ্ঠান নাই। অৱশ্যে গাঁওবাসীয়ে অনানুষ্ঠানিক ঋণদাতা গোটৰ পৰা, আত্মীয় আদিৰ পৰা ঋণ য়। অতি কম সংখ্যক লোকৰহে বাণিজ্যিক বেংকসমূহত একাউণ্ট আছে, কিন্তু তেওঁলোক বিত্তীয় অন্তৰ্ভুক্তিৰ সুফল সম্পৰ্কে সচেতন নহয়।<br><br>**জীৱিকাৰ পৰিপ্ৰেক্ষিত**<br>তলৰ অনুমাপকৰ ভিত্তিত কাৰৱালাংৰু জে এফ এম চিৰ জীৱিকা কাৰ্যসূচী চিনাক্ত কৰা হৈছে।<br>ক) জে এফ এম চিৰ মুঠ উপাৰ্জনৰ ক্ষেত্ৰত নিৰ্দিষ্ট জীৱিকা কাৰ্যসূচীৰ অৱদান<br>খ) নিৰ্দিষ্ট জীৱিকা কাৰ্যসূচীত উপাৰ্জন গোটৰ শতকৰা নিয়োজন।<br>গ) সাম্ভাব্য জীৱিকা কাৰ্যসূচীত অগ্ৰাধিকাৰ স্থানাংক। |

## ৪। জীৱিকা উন্নয়ন পৰিকল্পনা

| | |
|---|---|
| **উপাৰ্জন বৃদ্ধিৰ কাম-কাজ** | গাঁৱৰ পৰিকল্পনা কৰা মূল উপাৰ্জন সৃষ্টি কাম-কাজবোৰ হ'ল ঃ<br>**কৃষিখণ্ড ঃ**<br>* হাঁহ-কুকুৰা পালন আৰু গাহৰি পালন<br>* লাক্ষা খেতি<br>* উদ্যান শস্য (চাহ)<br>**কৃষি বহির্ভূত খণ্ড ঃ**<br>* হস্ততাঁত / বয়ন<br>* ইলেক্ট্ৰিয়িান<br>* গাড়ী চলোৱা<br>* ৰেচম |
| **আত্মসহায়ক গোটৰ কাৰ্যকলাপ** | গাঁৱৰ আত্মসহায়ক গোটসমূহে তলৰ কাৰ্যসূচীসমূহ পৰিকল্পনা কৰিব পাৰে ঃ<br>১) সজাগতা সৃষ্টি<br>২) গোট গঠন আৰু সংগঠিত কৰা<br>৩) সমূহীয়াভাৱে জীৱিকাৰ কাম-কাজত গাঁওবাসীক চামিলকৰণ |
| **শিক্ষাৰ উদ্দেশ্যে ভ্ৰমণ** | নিম্নোক্ত শিক্ষামূলক ভ্ৰমণৰ পৰিকল্পনা কৰা হৈছে ঃ<br>১) ৰাষ্ট্ৰীয় হস্ততাঁত প্ৰতিষ্ঠানলৈ শিক্ষামূলক ভ্ৰমণ<br>২) কৃষি বিশ্ববিদ্যালয়লৈ শিক্ষামূলক ভ্ৰমণ |
| **কৰ্মসূচীৰ সাৰাংশ** | পৰৱৰ্তী পৃষ্ঠাত সংযোগ কৰা হৈছে। |
| **সংপৃক্তকৰণ** | ভাৰত চৰকাৰৰ তলৰ আঁচনিসমূহৰ সৈতে পৰিকল্পনা কৰা কাৰ্যব্যৱস্থাসমূহ সংপৃক্ত কৰিব পাৰি ঃ<br>ক) ৰাষ্ট্ৰীয় গ্ৰাম নিয়োগ নিশ্চিতকৰণ আঁচনি (National Rural Employment Guarantee Scheme) — গ্ৰাম্য নিয়োগৰ কাৰণে<br>খ) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (Rashtriya Krishi Vikas Yojana) — কৃষি আৰু সংলগ্ন ক্ষেত্ৰৰ বিকাশৰ বাবে।<br>গ) ৰাষ্ট্ৰীয় কৃষি সিঞ্চয় যোজনা (Rashtriya Krishi Sinchay Yojana) — পানীৰ উৎস উন্নয়ন সহিতে জলসিঞ্চনৰ কাৰণে<br>ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান (National Rural Livelihoods Mission)<br>ঙ) দক্ষতা বিকাশ আঁচনি (Skills Development Programme)<br>চ) গ্ৰামোন্নয়ন আৰু জীৱিকাৰ বাবে পোৱা উপযোগী অন্যান্য আঁচনি।<br>উপৰোক্ত সংপৃক্তকৰণে বৰ্তমানৰ পৰিকল্পনাসমূহ সফল কৰি তোলাৰ লগতে এই পৰিকল্পনাৰ কৰ্মসূচী ৰূপায়ণত পৰৱৰ্তী কালতো সহায় কৰিব। |

## ৫। কাৰবালাংৰু জে এফ এম চি, পানীমূৰ বনাঞ্চলিক, পশ্চিম হাফলং সংমণ্ডলৰ কৰ্মআঁচনি

| ক্ৰমিক নং | কাম-কাজ | সংখ্যা | পদ্ধতি | পৰিমাণ (টকাত) |
|---|---|---|---|---|
| **ক)** | **অংশগ্ৰহণমূলক ক্ষুদ্ৰ পৰিকল্পনা** | | | |
| ১ | ক্ষুদ্ৰ পৰিকল্পনাৰ প্ৰস্তুতি | ১ | পি আৰ এ বেছলাইন সমীক্ষা | ১,০০,০০০.০০ |
| | মুঠ | | | ১,০০,০০০.০০ |
| **খ)** | **উৎপাদক সংগঠিত কৰা আৰু উদ্যমিতা আৰু কাৰিকৰী সামৰ্থ নিৰ্মাণ (সামৰ্থ নিৰ্মাণ)** | | | |
| ১ | সজাগতা গঢ়ি তোলাৰ কৰ্মসূচী | ১ | সজাগতা কৰ্মসূচী | ২০,০০০.০০ |
| খ. ১ | দক্ষতা উন্নয়ন প্ৰশিক্ষণ | | | |
| ১ | চিলাই কাম আৰু বয়ন সম্পৰ্কে দক্ষতা উন্নয়ন প্ৰশিণক্ষ কাৰ্যসূচী (৩০জন) | ১ | প্ৰশিক্ষণ দিয়া | ২,০০,০০০.০০ |
| ২ | লাক্ষা খেতি সম্পৰ্কে (২৫ জনক) দক্ষতা উন্নয়ন প্ৰশিক্ষণ কৰ্মসূচী (৩০ জন) | ১ | দক্ষতা উন্নয়ন প্ৰশিক্ষণ কৰ্মসূচী কাৰ্যকৰী কৰা (৪০ দিন) | ২,০০,০০০.০০ |
| ৩ | ক্ষুদ্ৰ উদ্যোগী প্ৰতিষ্ঠান প্ৰশিক্ষণ | ১ | ৩ দিন উদ্যমিতা দিক নিৰ্ণয় কৰ্মসূচী | ৫০,০০০.০০ |
| | মুঠ | | | ৪,৭০,০০০.০০ |
| **গ)** | **সামাজিক সমাৱেশকৰণ** | | | |
| ১ | সমূহীয়া গোট (অৰ্থাৎ আত্মসহায়ক গোট, সমিতি, বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা, সংগঠন উৎপাদক কোম্পানী) সম্পৰ্কে সজাগতা সৃষ্টি শিবিৰ | | সমবায় বিশেষজ্ঞৰ জৰিয়তে সমূহীয়া গোট গঠন সম্পৰ্কে ৪ দিনৰ সজাগতা সৃষ্টিৰ শিবিৰ | ৫০,০০০.০০ |
| ২ | স্ব-নিয়োজন আৰু নিযুক্তিৰ বাবে সংযোগ গঢ়ি তোলা তথা হাতে-কামে সহায় | | ২০১৭ মাৰ্চলৈকে চি এম এল বিশেষজ্ঞৰ জৰিয়তে গোটেই বছৰজুৰি হাতে হাতে সহায় | ৫০,০০০.০০ |
| | মুঠ | | | ১,০০,০০০.০০ |
| **ঘ)** | **মূল্যশৃংখল উন্নতকৰণ** | | | |
| ঘ. ১ | মূল্য শৃংখল উন্নতকৰণৰ জৰিয়তে উৎপাদিত সামগ্ৰী উন্নতকৰণ | | | |
| ১ | বয়ন উৎপাদনত মূল্যশৃংখল উন্নতকৰণ | ১ | প্ৰক্ৰিয়াকৰণ কাম-কাজ সম্পৰ্কে দহ দিনৰ প্ৰশিক্ষণ | ৫০,০০০.০০ |
| গ. ৩ | আধুনিক সঁজুলিৰ যোগান | | | |

| | | | | |
|---|---|---|---|---|
| | বয়নৰ আধুনিক সঁজুলি যোগান | | | ১,৫০,০০০.০০ |
| | মৌ মাখিৰ বাকচৰ যোগান | | | ৭০,০০০.০০ |
| গ. ৪ | ভেষজ উদ্ভিদ ৰোপণ আৰু এন টি এফ পিৰ প্ৰক্ৰিয়াকৰণ | | | ১,৩০,০০০.০০ |
| | মুঠ | | | ৪,০০,০০০.০০ |
| **ঙ)** | **বজাৰত প্ৰৱেশৰ বাবে সহায় সমৰ্থন** | | | |
| ঘ. ১ | প্ৰাতিষ্ঠানিক ক্ৰেতা আৰু/অথবা চৰকাৰী সংস্থাৰ সৈতে সংযোগ (গোটেই বছৰ ধৰি) | ২ | ক্ৰেতা আৰু বিক্ৰেতাৰ আদান-প্ৰদানৰ বাবে প্লেটফৰ্ম সৃষ্টি (২ দিন) | ৮০,০০০.০০ |
| ঘ. ২ | বন বজাৰ স্থাপন | গোটেই বছৰ জুৰি | বন বজাৰৰ জৰিয়তে সংযোগ | ১,০০,০০০.০০ |
| ঘ. ৩ | প্ৰদৰ্শনী অংশগ্ৰহণ | ১ | বন বিভাগৰ জৰিয়তে এটা প্ৰদৰ্শনীত অংশগ্ৰহণ | ১,২০,০০০.০০ |
| ঘ. ৪ | অন্যান্য ভৌগোলিক বজাৰত প্ৰৱেশ | ১ | শিক্ষামূলক ভ্ৰমণ | ১,২০,০০০.০০ |
| ঘ. ৫ | ই-পোৰ্টেল, পুস্তিকা, কেটেলগ আদিৰ জৰিয়তে প্ৰচাৰ | ১ | বজাৰ বিশেষজ্ঞৰ দ্বাৰা গ্ৰহণ কৰা ২ দিনৰ প্ৰশিক্ষণ আৰু সজাগতা কৰ্মসূচী | ৬০,০০০.০০ |
| | মুঠ | | | ৪,৮০,০০০.০০ |
| | **সৰ্বমুঠ** | | | **১৫,৫০,০০০.০০** |

## ৫। বনোন্নয়ন পৰিকল্পনা

কাৰবালাংৰু জে এফ এম চি-ৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অংশ হিচাপে গাঁও পৰ্যায়ত বন উন্নয়ন পৰিকল্পনা বিতং পি আৰ এ অনুশীলনৰ পিছত প্ৰস্তুত কৰা হৈছে। এই পৰিকল্পনাৰ উদ্দেশ্যসমূহ হ'ল জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ, পাৰিৱেশিক কাৰ্যসূচী আৰু জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলত উৎপাদন সক্ষমতা, এক স্থিতিশীল ব্যৱস্থাৰ জৰিয়তে সম্প্ৰদায়ৰ উপভোগ আৰু জীৱনধাৰণৰ প্ৰয়োজনীয়তাসমূহ লাভ কৰা।

### ৫.১। জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা

কাৰবালাংৰু জে এফ এম চি-ৰ অন্তৰ্গত বনাঞ্চলসমূহৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনাই তলৰ বিভাগসমূহ বিবেচনা কৰা হৈছে।

ক) জে এফ এম চিৰ বনাঞ্চলৰ দায়িত্ব বন বিভাগক।

খ) বনাঞ্চলৰ বাহিৰৰ সামূহিক অঞ্চল আৰু আন ভূমিত গছ ৰোপণ।

উপৰোক্ত দুয়োটা বিভাগৰে জে এফ এম চি বনাঞ্চলৰ অৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল ঃ

### ৫.২। বনাঞ্চল আৰু তাৰ অৱস্থা

জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ পূৰ্ণ বিৱৰণ **প্ৰফ'ৰ্মা-৩ৰ** অধীনত **তালিকা-৩.১**ত দাখিল কৰা হৈছে **('বনোন্নয়ন পৰিকল্পনা')**, যিসমূহ এই ক্ষুদ্ৰ পৰিকল্পনাত পৰিশিষ্ট হিচাপে সংলগ্ন কৰা হৈছে। অন্যান্য বৃক্ষৰোপিত এলেকা (বা বৃক্ষৰোপণ কৰিবলগা) বিবেচনা কৰাৰ পিছত, কাৰবালাংৰু জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা তলত দিয়াৰ দৰে সাৰসংক্ষেপ কৰা হৈছে।

**তালিকা-৫.১ ঃ কাৰবালাংৰু জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা**

| চিহ্নিতকৰণ | জে এফ এম চি বনাঞ্চলৰ আয়তন (হেক্টৰ) | গাঁৱৰ পৰা দূৰত্ব (কিঃ মিঃ) | বনাঞ্চলৰ অৱস্থা (ভাল-বনৰ ৪০% আৰু ততোধিক ক্ৰাউন ঘনত্ব বাকী- 'ক্ষতিগ্ৰস্ত') | সম্প্ৰদায়ৰ দ্বাৰা ব্যৱহাৰৰ ব্যৱধানতা (২-৩ মাহ/৩-৬ মাহ/৬-৯ মাহ/৯ মাহৰ বেছি) |
|---|---|---|---|---|
| **(ক) ন্যস্ত বনাঞ্চল** | | | | |
| আৰ এফ-পি এফ নামঃ ডিয়ুংব্ৰা বনাঞ্চলিক, ডিমা হাচাও পশ্চিম সংমণ্ডল, লাট ঃ ২৯ তম কিলো কম্পৰ্টি মেণ্ট | ১০০ | ০ | ভাল এলেকা ঃ ৭২ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ২৮ হেক্টৰ | ২-৩ মাহ |
| **(খ) অন্যান্য ৰোপিত এলেকা** | | | | |
| স্থান ঃ বনাঞ্চলৰ প্ৰকাৰ<br>পৰ্ণপাতী আৰ্দ্ৰ<br>ভি এফ-অন্যান্য<br>পৰিমাণ অনুসৰি ধাৰ্য | নাই | নাই | ভাল এলেকা ঃ নাই<br>ক্ষতিগ্ৰস্ত এলেকা ঃ নাই | |
| মুঠ | ১০০ | ০ | ভাল এলেকা ঃ ৭২ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ২৬ হেক্টৰ | নাই |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, তালিকা ৩.১** / বন বিভাগৰ কৰ্মচাৰীআৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা ইয়াৰ পৰা দেখা গ'ল যে কাৰবালাংৰু জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ ১০০ হেক্টৰ এলেকাৰ ভিতৰত ৭২ হেক্টৰ 'ভাল' আৰু ২৮ হেক্টৰ 'ক্ষতিগ্ৰস্ত'।

## ৫.৩। বনভূমিৰ প্ৰকাৰ ঃ

কাৰ্‌ৱালাংৰু বনাঞ্চলসমূহ মাটি বালিচঁহীয়া। বনাঞ্চল সাৰুৱা প্ৰকৃতিৰ ভূমিত অৱস্থিত। তলৰ তালিকাত এই বনাঞ্চলৰ কিছু বৈশিষ্ট্য উল্লেখ কৰা হ'ল ঃ

**তালিকা- ৫.২ ঃ জে এফ এম চিৰ বনাঞ্চলৰ মাটিৰ প্ৰকাৰ**

| পৰিমাপ | ন্যস্ত বনাঞ্চলৰ অৱস্থা | বৃক্ষৰোপিত অন্যান্য এলেকাৰ অৱস্থা |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | ২.৮ৰ পৰা ২.৮৮% জৈৱিক। এন পি ২০৫, কে-২০ মৌলৰ পৰ্যাপ্ততা এই ভূমিত তুলনামূলকভাৱে কম | — |
| ভূমি ক্ষয়ৰ অৱস্থা | — | — |
| উপস্থিতি ঃ | | |
| (ক) পলস | ২০% | — |
| (খ) বোকামাটি | ৪০% | — |
| (গ) নতুনকৈ প্ৰস্তুত কৰা ভূমি | কম | — |
| (ঘ) বালিচাহি | ৪০% | |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'খ'।** বনাঞ্চলৰ মাটিৰ প্ৰকাৰ/বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে হোৱা আলোচনা

কাৰ্‌ৱালাংৰু জে এফ এম চি-ৰ বাবে বনাঞ্চলৰ মাটিৰ প্ৰকাৰৰ বৈশিষ্ট্যসমূহ তলৰ সাৰাংশত দিয়া হ'ল ঃ

ক) এণ্টিছ'ল (২৫.৩%)

খ) ইনছেপ্টিছ'ল (৫১.৩%)

গ) এলফিছ'ল (১৬.৩%)

ঘ) আল্টিছ'ল (৭.১%)

## ৫.৪। বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ

কাৰ্‌ৱালাংৰু জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ তলত উল্লেখ কৰা হ'ল। এইটো মন কৰিবলগীয়া যে স্থানীয় বনাঞ্চলক পৰ্ণপাতি আৰ্দ্ৰ বনাঞ্চল হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে।

**তালিকা- ৫.৩ ঃ কাৰবালাংৰু  জে এফ এম চি-ৰ বৰ্তমান উদ্ভিদসমূহ**

| **প্ৰজাতি** | **স্থানীয় নাম** | **বৈজ্ঞানিক নাম** |
|---|---|---|
| প্ৰধান বনজ প্ৰজাতি | চেগুণ | টেক্টোনা গ্ৰেণ্ডিছ লিন |
| সহযোগী | গমাৰি | গ্মেলিনা আৰ্ব'ৰিয়া |
| গুল্ম | ঢেকীয়া | ফাৰ্নছ |
| | ভোটজলকীয়া | কেপছিকাম চিনেন্স |
| ঔষধি উদ্ভিদ | অৰ্জুন | টাৰ্মিনেলিয়া অৰ্জুন |
| | শিলিখা | টাৰ্মিনেলিয়া চেবুলা |
| | নিম | আজাডিৰেক্টাইণ্ডিকা |
| | আমলখি | ফিলান্থাছেম্বলিকা |
| উৎপাদন | | |
| অন্যান্য, যদি আছে | জৰী বেত | কেলামাছ ইৰেক্টাছ |
| | জাতি বেত | কেলামাছ টেনুইছ |
| | ৰাইডাং বেত | কেলামাছ ৰ'টাং |
| | চুলি বেত | কেলামাছ ফ্লেগুলাম |
| | লেজাই বেত | কেলামাছ ফ্লৰিবাণ্ডুছ |
| | কেঁকো বাঁহ | ডি হেমিল্টনী |
| | পাহাৰী জাতিবাঁহ | অক্সিটেন্থেৰা পাৰ্ভিফ'লিয়া |
| | ডলুবাঁহ | ছিজ'ষ্টাছিয়াম ডুলুৱা |
| | আমলখি | এম্বলিকা অফিচিনেলিছ |
| | হলখ | টাৰ্মিনেলীয়া মাইৰিঅ'কাৰ্পা |
| | হোলুং | ডিপ্টেৰ'কাৰপাছ মেক্ৰ'কাৰপাছ |
| | অৰ্জুন | টাৰ্মিনেলিয়া অৰ্জুন |
| | আগৰ | একুইলেৰীয়া এগাল্লোছা |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'গ।** বনাঞ্চলৰ বৰ্তমান প্ৰাণী আৰু উদ্ভিদসমূহ/বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে আলোচনা

**৫.৫। বন উন্নয়ন পৰিকল্পনাৰ বাবে অন্যান্য কৰ্মসূচী**

তলৰ উপশাখাসমূহত কাৰবালাংৰু জে এফ এম চিৰ বন উন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচী দিয়া হ'ল ঃ

**৫.৬। জে এফ এম চি-ৰ অতীতৰ সুৰক্ষা ব্যৱস্থা**

কাৰবালাংৰু জে এফ এম চিত অতীতত লোৱা বন সুৰক্ষা ব্যৱস্থাসমূহ তলত আলোচনা কৰা হ'ল ঃ

ক)  জড়িত পৰিয়াল ঃ ৩৬

খ)  জড়িত লোকৰ সংখ্যা ঃ ৩৬ (প্ৰতিটো পৰিয়ালৰ এজনকৈ)

গ)  গৃহীত ব্যৱস্থাৰ সাৰাংশ ঃ উপলব্ধ নহয়

ঘ)  কোনো আনুষ্ঠানিক ব্যৱস্থা ঃ উপলব্ধ নহয়

**উৎস ঃ প্ৰ'ফৰ্মা-৩,** জে এফ এম চি-ৰ অৱস্থা- viii + ix / বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চি-ৰ সদস্যৰ সৈতে আলোচনা

## ৫.৭। বনজ উৎপাদনৰ ঘৰুৱা চাহিদা

স্থানীয় সম্প্ৰদায়ৰ ঘৰুৱা চাহিদাৰ বাবে বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীলতাৰ তথ্য তলৰ তালিকাত দাঙি ধৰা হ'ল।

**তালিকা- ৫.৪ (ক) ঃ কাৰবালাংৰু জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

| বনজ উৎপাদনৰ নাম | পৰিয়ালৰ গড় চাহিদা | | বৰ্তমান কিভাৱে চাহিদা পূৰণ হৈছে | উৎস |
|---|---|---|---|---|
| | চাহিদাৰ সময় ব্যৱধান | আনুমানিক পৰিমাণ | | |
| কাঠখৰি | সঘনে | ৮০-৯০ কেজি | | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | বছৰত এবাৰ | ৪টা | | বনাঞ্চল |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — | | — |
| খুঁটা / বাঁহ | মাহত এবাৰ | ৩-৬টা বাঁহ/প্ৰতি মাহত | | বনাঞ্চল |
| বনাঞ্চলৰ পৰা পশুখাদ্য | সঘনে | দৈনিক ৪-১০ কিঃ গ্ৰাঃ | | বনাঞ্চল |
| এন টি এফ পি | সঘনে | দৈনিক ৩-৯ কিঃ গ্ৰাঃ | | বনাঞ্চল |
| অন্যান্য | - | - | - | - |

**উৎস ঃ** প্ৰফ'ৰ্মা-৩, **তালিকা-৩.২**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা কাৰবালাংৰু জে এফ এম চিত মুঠ ৩১০ ঘৰ পৰিয়াল আছে। ওপৰৰ তালিকা আৰু এই পৰিয়ালৰ সংখ্যাৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি কাৰবালাংৰু গাঁৱৰ বাবে বছৰি মুঠ বনজ উৎপাদনৰ চাহিদা নিজস্ব ব্যৱহাৰৰ বাবে তলত উল্লেখ কৰা ধৰণৰ—

**তালিকা- ৫.৪ (খ ) ঃ কাৰবালাংৰু জে এফ এম চিৰ সকলো পৰিয়ালৰ বনজ উৎপাদনৰ মুঠ বাৰ্ষিক চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা বাৰ্ষিক কিঃগ্ৰাঃ (*) | মন্তব্য |
|---|---|---|
| কাঠখৰি | ৯০২০০ | গোটেই বছৰজুৰি |
| ঘৰৰ বাবে কাঠ | ১১০ টা | ডিচেম্বৰ-জানুৱাৰী |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — |
| খুঁটা / বাঁহ | ২৮০ টা বাঁহ | ডিচেম্বৰ-জানুৱাৰী |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ৯০৪২০ | গোটেই বছৰজুৰি |
| এন টি এফ পি | ২৩১০০০ | গোটেই বছৰজুৰি |
| অন্যান্য— | | |

**উৎস ঃ** ওপৰৰ **তালিকা-৪ (ক)** আৰু সম্প্ৰদায়ৰ তথ্যৰ পৰা প্ৰাপ্ত মুঠ পৰিয়ালৰ সংখ্যা

(*) = পৰিয়ালসমূহৰ গড় চাহিদাৰ আনুমানিক পৰিমাণ (**তালিকা-৪ (ক)** × ৬৫টা পৰিয়াল)

## ৫.৮। গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সামগ্ৰী সংগ্ৰহ আৰু বিপণন

পৰিয়ালৰ ঘৰুৱা ব্যৱহাৰৰ উপৰি এই ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰত বিক্ৰীৰ জৰিয়তে গাঁওবাসী বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। কাৰবালাংৰু জে এফ এম চি-ৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণনৰ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল—

**তালিকা- ৫.৫ (ক) ঃ কাৰবালাংৰু জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| বনজ উৎপাদনৰ নাম | বিপণনৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু / মাহ | সংগ্ৰহকাৰী পৰিয়ালৰ সংখ্যা | সংগৃহীত সামগ্ৰীৰ গড় পৰিমাণ (কিঃ গ্ৰাঃ) | |
| কাঠখৰি | বছৰজুৰি | ৩৬ | ৪৪২ | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | ডিচেম্বৰ-জানুৱাৰী | ৩৬ | ২টা | বনাঞ্চল |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — | — | — |
| বাঁহ | ডিচেম্বৰ-জানুৱাৰী | ৩৬ | ১০টা | বনাঞ্চল |
| খুঁটা | — | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | বছৰজুৰি | ৩৬ | দৈনিক ৭ কিঃ গ্ৰাঃ | বনাঞ্চল |
| এন টি এফ পি | বছৰজুৰি | ৩৬ | ৯-১২ কিঃ গ্ৰাঃ | বনাঞ্চল |
| অন্যান্য | — | — | — | — |

**উৎস ঃ** প্ৰফৰ্মা-৩, **তালিকা-৩.৩**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা। ওপৰৰ তালিকাত উল্লিখিত তথ্যৰ লগত সম্পৰ্কিত কিছু প্ৰাসংগিক তথ্য তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ৫.৫ (খ) ঃ বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| বনজ উৎপাদনৰ নাম | উদ্বৃত্ত বিপণন (কিঃ গ্ৰাঃ) | কেনেদৰে বিপণন কৰা হয় | বনজ উৎপাদন বিক্ৰীৰ মাধ্যমেৰে প্ৰতিটো পৰিয়ালৰ গড় আয় |
|---|---|---|---|
| কাঠখৰি | ৯৬০০০/বছৰ | উমৰাংছু বজাৰ | ১১৫০-২১৭০/ মাহ |
| ঘৰৰ বাবে কাঠ | — | — | — |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | ৩০-৬০টা / মাহ | উমৰাংছু বজাৰ | ৪৮৩-৯৭৩/ মাহ |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ৮০০ কিঃগ্ৰাঃ বছৰত | উমৰাংছু বজাৰ | ৮৭০-১২৫০/ মাহ |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

**উৎস ঃ** প্ৰফৰ্মা-৩, **তালিকা-৩.৪**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

## ৫.৯। বনজ উৎপাদনৰ মুঠ চাহিদা— ঘৰুৱা ব্যৱহাৰ আৰু বিপণনৰ বাবে

পূৰ্বে উল্লেখ কৰা উপ-শাখাৰ তথ্যৰ ভিত্তিত কাৰবালাংৰু বজাৰ জে এফ এম চিৰ সম্প্ৰদায়ৰ সদস্যসকলৰ বনজ উৎপাদনৰ মুঠ চাহিদাৰ সাৰাংশ তলত দিয়া হ'ল।

**দ্ৰষ্টব্য ঃ** পূৰ্বৱৰ্তী পৃষ্ঠাত উল্লেখ কৰা এই অধ্যায়ৰ তালিকা ৪ (খ) আৰু ৫ (খ)

## ৫.১০। বন সুৰক্ষা সংক্ৰান্ত বিষয়

## ৫.১১। সুৰক্ষা সমস্যাসমূহ

কাৰ্ৱালাংৰু জে এফ এম চিৰ বনাঞ্চল সুৰক্ষাৰ বিষয়সমূহ সংক্ষিপ্তভাৱে তলত দিয়া হ'ল—

**তালিকা- ৫.৭ ঃ কাৰ্ৱালাংৰু জে এফ এম চিৰ সুৰক্ষা সমস্যাসমূহ**

| সমস্যাৰ ধৰণ | প্ৰাসংগিক (হয়/নহয়) | গুৰুত্ব (হয়/নহয়) |
|---|---|---|
| চৰণীয়া পথাৰ-স্থানীয় পশু | হয় | হয় |
| চৰণীয়া পথাৰ- অন্যান্য এলেকাৰ পশু | হয় | হয় |
| বেআইনীভাৱে কাঠকটা | নহয় | নহয় |
| কাঠ চোৰাং চালান | হয় | হয় |
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | হয় | হয় |
| বনভূমি বেদখল | হয় | হয় |
| সাপে কামোৰাৰ ঘটনা/জীৱনৰ ভাবুকি/ বন সুৰক্ষাত বিপদ | হয় | হয় |
| ভেষজ উদ্ভিদ চুৰি | হয় | হয় |

**উৎস ঃ** প্ৰফ'ৰ্মা-৩, তালিকা ৩.৫/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

এইদৰে উপৰোক্ত জে এফ এম চিত বন সুৰক্ষা সম্পৰ্কীয় বিষয়ত সন্মুখীন হোৱা দিশসমূহ হ'ল—

ক) চৰণীয়া পথাৰ — স্থানীয় জন্তু

খ) চৰণীয়া পথাৰ — অন্যান্য এলেকাৰ জন্তু

### ৫.১২। বনাঞ্চল ক্ষতিৰ কাৰণসমূহ

কাৰ্ৱালাংৰু জে এফ এম চিত বনাঞ্চল অনুন্নয়নৰ কাৰণসমূহ তলত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি—

ক) কোনো বৈজ্ঞানিক পৰিকল্পনা নাই

খ) জনজাতীয় মানুহৰ পৰম্পৰাগত খেতি

গ) পাৰ্বত্য এলেকাৰ দিশত উগ্ৰপন্থী সমস্যা

(**উৎস ঃ** প্ৰফ'ৰ্মা-৩, তালিকা ৩.৬/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা)

## ৫.১৩। বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ

কাৰ্ৱালাংৰু জে এফ এম চি-ত বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ তলৰ উপ-শাখাত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি, যেনে সুৰক্ষাৰ পৰিকল্পনা, বন উন্নয়ন (পৰিচৰ্যা), নাৰ্চাৰী উন্নয়ন, তত্বাৱধান আৰু বিবিধ প্ৰকাৰৰ কাম-কাজ।

### ৫.১৪। সুৰক্ষা পৰিকল্পনা

